ঋণদিওঁতা সকলৰ বাবে নিকা প্ৰথা সংহিতা

কাৰ্যকৰী তাৰিখ	01 ফেব্ৰুৱাৰী, 2018
অনুমোদনকাৰী	ব'ৰ্ড / ব'ৰ্ড কমিটি
অনুমোদন তিথি	28 এপ্ৰিল, 2022
পলিচীস্বত্বাধিকাৰী	ৰাষ্ট্ৰীয় ব্যৱস্থাপক – সেৱা গুণমান
পুনৰীক্ষণ আবৃত্তি	অতি কমেও বাৰ্ষিক

ক'পৰেট কাৰ্যালয় ঠিকনা**:**

উজ্জীৱন স্মল ফাইনেন্স বেংক লিমিটেড

গ্ৰেপ গাৰ্ডেন, নম্বৰ ,27তৃতীয় A ক্ৰছ, অষ্টাদশ মেইন

কোৰামংগলা ষষ্ঠ ব্লক, বেংগালুৰু 560 095

এই দস্তাৱেজ কেৱল অভ্যন্তৰীণ ব্যৱহাৰৰ বাবেহে প্ৰস্তুত কৰা হৈছে আৰু উজ্জীৱন স্মল ফাইনেন্স বেংক লিমিটেডৰ সন্মতি অবিহনে কোনো ৰূপতে ইয়াৰ প্ৰত্যুৎপাদন কৰিব পৰা নাযাব

উজ্জীৱন স্মল ফাইনেন্স বেংকৰ ঋণদিওঁতা সকলৰ বাবে নিকা প্ৰথা সংহিতা ("নিকা প্ৰথা সংহিতা")

উজ্জীৱন স্মল ফাইনেন্স বেংকে ("এই বেংক") এই বেংকৰ ঋণদিওঁতা সকলক এই বেংকৰ সৈতে কৰা তেওঁলোকৰ লেনদেনৰ সন্দৰ্ভত স্বচ্ছতা আৰু স্পষ্টতা প্ৰদান কৰাৰ প্ৰয়াস কৰে। এই বেংকৰ কেৱল ঘৰুৱা বেংকিং ব্যৱসায়ৰ সৈতেহে এই পথ-প্ৰদৰ্শনৰ সম্পৰ্ক আছে।

এই বেংকৰ নীতি হ'ল ইয়াৰ সমূহ গ্ৰাহক/উপভোক্তাৰ প্ৰতি অবিচলিত আৰু ন্যায়পূৰ্বক আচৰণ দেখুওৱা। এই বেংকৰ কৰ্মচাৰী সকলে এটা নিকা, সাম্যিক আৰু অবিচলিত উপায়েৰে সহায়তা, উদগণি আৰু সেৱা প্ৰদান কৰিব। এই বেংকৰ সমূহ উপভোক্তাৰ বাবে এই নিকা প্ৰথা সংহিতা লভ্য কৰোৱা হ'ব ইয়াৰ শাখা সমূহত আৰু সম্প্ৰতি ইয়াৰ ৱেবছাইট www.ujjivansfb.inৰ ("এই ৱেবছাইট") জৰিয়তে।

অনা-বৈষম্য নীতি

এই বেংকে ইয়াৰ উপভোক্তা সকলৰ মাজত তেওঁলোকৰ মূলবংশ, জাতি, বৰ্ণ, ধৰ্ম, লিঙ্গ, বৈবাহিক স্থিতি, বয়স (অধিকাংশৰে বয়সৰ ঊৰ্ধত), বিত্তীয় স্থিতি বা শাৰীৰিক অক্ষমতাৰ ভিত্তিত বৈষম্য আচৰণ নকৰিব।

প্ৰত্যক্ষ বিক্ৰয় অভিকৰ্তা সকলৰ ("DSA সকল") বাবে আচাৰ সংহিতা

DSA সকলৰ বাবে এই বেংকে তলত দিয়া আচাৰ সংহিতা গ্ৰহণ কৰিব আৰু সংশ্লিষ্ট DSA ৰ সৈতে কৰা চুক্তিত সেইটো সন্নিৱিষ্ট কৰিব। যিহেতু ডিজিটীয় ফিনটেক বা বিত্ত-প্ৰযুক্তি সহযোগিতা সমূহৰ জৰিয়তে এই বেংকে ঋণ দিয়া ব্যৱস্থাও

DSA হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে, সেয়েহে তলত দিয়া আচাৰ সংহিতা ডিজিটীয় ঋণদানৰ বাবে থকা এই বেংকৰ বিত্ত-প্ৰযুক্তি সহযোগী সকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। সাম্প্ৰতিক ব্যৱসায় মডেলৰ সৈতে খাপ খোৱাকৈ IBA ই DSA সকলৰ বাবে প্ৰস্তুত কৰা আদৰ্শ আচাৰ সংহিতা এই বেংকে গ্ৰহণ কৰিছে। যেতিয়াই এই বেংকে বিশিষ্ট ব্যৱসায় মডেলবোৰত প্ৰৱেশ কৰাৰ সাহস গোটাব তেতিয়াই এই আদৰ্শ আচাৰ সংহিতাৰ আন আন দিশবোৰ গ্ৰহণ কৰা হ'ব।

- এই বেংকৰ উৎপাদ দিবলৈ এগৰাকী ভাবী উপভোক্তাৰ সৈতে কেৱল তলত দিয়া পৰিস্থিতি সমূহতহে যোগাযোগ কৰা হ'ব:

    - যেতিয়া এই বেংকৰ এটা উৎপাদ আহৰণ কৰিবলৈ বেংকৰ ৱেবছাইট বা বেংকৰ কল চেণ্টাৰ বা বেংকৰ যিকোনো শাখাৰ সম্পৰ্কৰক্ষী ব্যৱস্থাপকৰ জৰিয়তে ভাবী উপভোক্তাই তেওঁৰ/ইয়াৰ ইচ্ছাৰ কথা ব্যক্ত কৰে বা আন এগৰাকী ভাবী বা বিদ্যমান উপভোক্তাই কোনো ভাবী উপভোক্তাৰ সৈতে যোগাযোগ কৰাৰ দিহা দিয়ে, বা ভাবী উপভোক্তা গৰাকী এই বেংকৰ এগৰাকী বিদ্যমান উপভোক্তা হয় যি বেংকৰ আন আন উৎপাদৰ সন্দৰ্ভত এই বেংকৰপৰা অহা বা এই বেংকৰ হৈ কৰা কল গ্ৰহণ কৰিবলৈ তেওঁৰ সন্মতি দিছে।

    - যেতিয়া ভাবী উপভোক্তাৰ নাম/টেলিফোন নম্বৰ/ঠিকনা এই বেংকৰ সৈতে লভ্য হয় আৰু DSA মেনেজাৰ/টীম লীডাৰৰদ্বাৰা অনুমোদিত তালিকা সমূহ/ডাইৰেক্টৰী সমূহ/ডেটাবেচৰ কোনোবাটোৰপৰা লোৱা হৈছে, ভাবী উপভোক্তা গৰাকীৰপৰা সন্মতি লৈ উঠি।

    - যেতিয়া ভাবী উপভোক্তা/গ্ৰাহকে তেওঁৰ নিজ ইচ্ছা অনুসাৰে ফিনটেকৰ সৈতে সিবিলাকৰ এপ, ৱেবছাইট, শাৰীৰিক উপস্থিতি, কনটেক্ট চেণ্টাৰ বা সিবিলাকৰ অভিগ্ৰহণ ৰণকৌশল বা মডেলৰ অংশ হিচাপে গঢ়ি তোলা আন যিকোনো সংস্পৰ্শ বিন্দুৰ জৰিয়তে যোগাযোগ কৰে।

- DSAৰ সৈতে লভ্য "ডু নট ডিষ্টাৰ্ব" লিষ্টত চিহ্নিত কৰি থোৱা কোনো ব্যক্তি/প্ৰতিষ্ঠানক DSA ই কল কৰা অনুচিত।
- টেলিফোনেৰে কৰা যোগাযোগ সাধাৰণতে পুৱা 9 বাজি 30 মিনিটৰপৰা বিয়লি 7 বজালৈকে সীমিত ৰখা উচিত। অৱশ্যে, এইটো সুনিশ্চিত কৰিব পৰা যায় যে ভাবী উপভোক্তা গৰাকীৰ সৈতে তেতিয়াহে যোগাযোগ কৰা হ'ব যেতিয়া কলটোৱে তেওঁক অসুবিধাত নেপেলাব বুলি আশা কৰা যায়। নিৰ্ধাৰিত সময়সীমাৰ (ওপৰত দিয়াৰ দৰে) আগতে বা পাছত কল তেতিয়াহে কৰিব পৰা যাব যেতিয়া ভাবী উপভোক্তা গৰাকীয়ে লিখিতভাৱে বা মৌখিকভাৱে স্পষ্টভাৱে DSAক এই মৰ্মে প্ৰাধিকাৰ দিয়ে।
- DSA-ই এগৰাকী ভাবী উপভোক্তাৰ নিজতাক সন্মান কৰা উচিত। সাধাৰণতে কেৱল ভাবী উপভোক্তা গৰাকীৰ সৈতেহে বা ভাবী উপভোক্তা গৰাকীয়ে প্ৰাধিকাৰ দিয়া আন কোনো ব্যক্তি/পৰিয়ালৰ সদস্য যেনে ভাবী উপভোক্তা গৰাকীৰ গাণনিক/সচিব/জীৱনসঙ্গী ইত্যাদিৰ সৈতেহে ভাবী উপভোক্তা গৰাকীৰ স্বাৰ্থৰ কথা পাতিব পৰা যায়।

- DSA-ই ভাবী উপভোক্তা গৰাকীৰপৰা কেতিয়াও কোনো উপঢৌকন ল’ব নালাগিব। যদি এগৰাকী উপভোক্তাই কোনো BDE-ক (বিজিনেছ ডেভেলপমেণ্ট এক্সিকিউটিভ) এটা উপঢৌকন বা যিকোনো প্ৰকাৰৰ সংদায় অফাৰ কৰে তেন্তে BDE-এ সেই অফাৰৰ কথা তেওঁৰ ব্যৱস্থাপনাক ৰিপ’ৰ্ট কৰিবই লাগিব।

- DSA-ই ঋণলওঁতা সকলক প্ৰথমেই এই কথা ক’ব যে তেওঁ তেওঁলোকৰ লগত এই বেংকৰ হৈ কথা পাতিছে আৰু যদি তেওঁলোকলৈ কিবা ঋণৰ সুবিধা আগবঢ়োৱা হয় তেন্তে সেই ঋণ আগবঢ়াব কেৱল এই বেংককেহে।
- বেংকৰ হৈ দেয় ধনৰাশি সংগ্ৰহৰ কামত নিয়োজিত DSA সকলৰ অভ্যন্তৰীণ নীতি আৰু ক্ৰিয়াবিধি থাকিবই লাগিব যাৰ ভিতৰত সন্নিৱিষ্ট থাকিব সেইবোৰ প্ৰশিক্ষণ যিবোৰত ব্যতিক্ৰমৰ প্ৰতিটো পৰ্যায়ত উপভোক্তা সকলৰ সৈতে কেনেকৈ মোকাবিলা কৰিব লাগিব সেই বিষয়ে আৰু উপভোক্তা সকলৰ সৈতে কেনে আচৰণ কৰিব লাগিব সেই বিষয়ে কৰ্মচাৰী/অভিকৰ্তা সকলক শিক্ষিত কৰি তোলা হয় যাতে উপভোক্তা সকলৰ সৈতে উচ্চ নৈতিক মানদণ্ডসহিতে আচৰণ কৰাটো সুনিশ্চিত কৰিব পৰা যায়।

- ঋণ আবেদনৰ প্ৰসংস্কৰণ, দেয় ধনৰাশিৰ সংগ্ৰহণ আৰু ব্যতিক্ৰম কৰা উপভোক্তা সকলৰ সৈতে মোকাবিলা কৰাৰ কামত নিয়োজিত কৰ্মচাৰী/অভিকৰ্তা সকলে DSA-ই নিৰ্ধাৰণ কৰি দিয়া আচাৰ সংহিতা (IBA -ৰ আচাৰ সংহিতাৰ সৈতে একে ধৰণৰ) মানি চলিব বুলি এখন ঘোষণাপত্ৰত, হয় যোগদানৰ আনুষ্ঠানিকতাখিনি সম্পূৰ্ণ কৰাৰ সময়ত নহয় এটা পৃথক অনুশীলন হিচাপে চহী কৰিব।

- বুকছ অৱ একাউণ্টছৰ তত্ত্বাৱধান আৰু অৰ্হতাসম্পন্ন হিচাপ পৰীক্ষক(সকল) আৰু এই বেংকৰ ওচৰত বিত্তীয় বিবৃতিৰ ৰিপ’ৰ্টিং/উপস্থাপন আৰু প্ৰকটীকৰণত স্বচ্ছতা সুনিশ্চিত কৰিবই লাগিব।
- বেংকৰ উৎপাদটোৰ সম্পৰ্কে পুংখানুপুংখ তথ্য জানিবই লাগিব।

- DSA-ই এইবোৰ কাম কৰা অনুচিত -

  - বেংকে প্ৰদান কৰা কোনো সেৱা/উৎপাদৰ বিষয়ে ভাবী উপভোক্তাক বিভ্ৰান্ত কৰা;
  - তেওঁলোকৰ ব্যৱসায় বা সংস্থাৰ নামৰ বিষয়ে ভাবী উপভোক্তাক বিভ্ৰান্ত কৰা, বা নিজৰ কথা ভুলকৈ উপস্থাপন কৰা;
  - কোনো সুবিধা/সেৱাৰ বাবে এই বেংকৰ হৈ কোনো ভুল/অ-প্ৰাধিকৃত দায়বদ্ধতা ব্যক্ত কৰা।
- ভ্ৰমণৰ/যোগাযোগৰ সময়ত ল’বলগীয়া সতৰ্কতা
  DSA-ই এইবোৰ কাম কৰা উচিত

  - ব্যক্তিগত স্থানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা – ভাবী উপভোক্তাৰপৰা পৰ্যাপ্ত দূৰত্ব বজাই ৰাখক।

  - তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে গৈ ভাবী উপভোক্তাৰ আবাসগৃহ/কাৰ্যালয়ত প্ৰৱেশ নকৰিব;

- লগত বহুত মানুহ লৈ ভ্ৰমণ নকৰিব - অৰ্থাৎ প্ৰয়োজন হ'লে এজন BDE (বিজিনেছ ডেভেলপমেণ্ট এক্সিকিউটিভ) আৰু এজন নিৰীক্ষকতকৈ বেছি নহয়।
- ভাবী উপভোক্তাৰ নিজতাক সন্মান কৰিব।
- ভ্ৰমণৰ সময়ত যদিহে ভাবী উপভোক্তা গৰাকী উপস্থিত নাই আৰু কেৱল পৰিয়ালৰ সদস্য/কাৰ্যালয়ৰ লোকহে উপস্থিত আছে, তেন্তে ভাবী উপভোক্তাৰ বাবে পুনৰ কল কৰাৰ এটা অনুৰোধ কৰি তেওঁ নিজৰ ভ্ৰমণ সামৰা উচিত।
- যদি উপভোক্তা গৰাকীয়ে বিচাৰে তেন্তে নিজৰ টেলিফোন নম্বৰ, তত্ত্বাৱধায়কৰ নাম বা এই বেংকৰ সংশ্লিষ্ট বিষয়া গৰাকীৰ যোগাযোগৰ সবিশেষ উপভোক্তা গৰাকীক প্ৰদান কৰক।
- ভাবী উপভোক্তাৰ সৈতে কৰা আলোচনা এই ব্যৱসায়তেই সীমাবদ্ধ কৰক – এটা পেছাদাৰী দূৰত্ব বজাই ৰাখক।

- DSA ৰদ্বাৰা ভাবী উপভোক্তালৈ প্ৰেৰণ কৰা হোৱা যিকোনো সংপ্ৰেষণ কেৱল এই বেংকে অনুমোদন দিয়া ধৰণ আৰু প্ৰাৰূপ মতে হোৱা উচিত।

ডিজিটীয় ঋণদান প্লেটফৰ্মত বেংকে ঋণলওঁতাক পোনে পোনে দিয়া ঋণবোৰ:

সন্দৰ্ভ RBI পৰিপত্ৰ – বেংক আৰু NBFC সমূহে ডিজিটীয় ঋণদান প্লেটফৰ্মত ঋণলওঁতাক পোনে পোনে দিয়া ঋণবোৰ**:** 24 জুন, 2020 তাৰিখৰ নিকা প্ৰথা সংহিতা আৰু আউটছ'ৰ্চিং পথ-প্ৰদৰ্শনৰ অনুপালনকল্পে, নিজা ঋণদান প্লেটফৰ্মৰ জৰিয়তেই হওক বা আউটছ'ৰ্চ কৰা ঋণদান প্লেটফৰ্মৰ জৰিয়তেই হওক, এই বেংকে নিকা প্ৰথা সংহিতা পথ-প্ৰদৰ্শন ইয়াৰ আক্ষৰিক অৰ্থ আৰু ভাবাৰ্থ অনুসাৰে পালন কৰিবই লাগিব আৰু লগতে বিত্তীয় সেৱা সমূহ তথা **IT** সেৱা সমূহ আউটছ'ৰ্চ কৰাৰ সময়ত পালন কৰিবলগীয়া বিনিয়ামক নিৰ্দেশনা সমূহ সতৰ্কতাপূৰ্বক মানি চলিবই লাগিব।

যি ক্ষেত্ৰত ঋণলওঁতাক ঋণ দিয়াৰ কামত বা দেয় ধনৰাশি প্ৰত্যুদ্ধৰণ কৰাৰ কামত এই বেংকে ডিজিটীয় ঋণদান প্লেটফৰ্ম সমূহক ইয়াৰ অভিকৰ্তা হিচাপে নিয়োজিত কৰে, তেনে ক্ষেত্ৰত সিবিলাকে তলত দিয়া নিৰ্দেশনা পালন কৰিবই লাগিব:

a) অভিকৰ্তা হিচাপে নিয়োজিত ডিজিটীয় ঋণদান প্লেটফৰ্ম সমূহৰ নাম এই বেংকৰ ৱেবছাইটত প্ৰকট কৰা হ'ব।
b) অভিকৰ্তা হিচাপে নিয়োজিত ডিজিটীয় ঋণদান প্লেটফৰ্ম সমূহক এইবুলি নিৰ্দেশ দিয়া হ'ব যে সিবিলাকে উপভোক্তাক প্ৰথমেই যাতে সেই বেংকৰ নামটো কয় যিটো বেংকৰ হৈ তেওঁলোকে উপভোক্তাৰ লগত কথা পাতিবলৈ ওলাইছে।
c) আৰ্থিক অনুমোদনৰ পাছত ততালিকে কিন্তু ঋণ চুক্তিৰ নিষ্পাদনৰ আগতেই, এই বেংকৰ লেটাৰ হেডত ঋণলওঁতালৈ আৰ্থিক অনুমোদন পত্ৰ জাৰি কৰা হ'ব।
d) ঋণৰ আৰ্থিক অনুমোদন/সংবিতৰণৰ সময়ত ঋণ চুক্তিত উল্লেখ কৰা সংলগ্নক সমূহৰ প্ৰতিটোৰে একোটাকৈ প্ৰতিলিপিসহিতে ঋণ চুক্তিৰ এটা প্ৰতিলিপি সকলো ঋণলওঁতাক প্ৰদান কৰা হ'ব।
e) এই বেংকে নিয়োজিত কৰা ডিজিটীয় ঋণদান প্লেটফৰ্মবোৰৰ ওপৰত কাৰ্যকৰী অন্বেক্ষা আৰু নিৰীক্ষণ সুনিশ্চিত কৰা হ'ব।

f) ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে পৰ্যাপ্ত প্ৰচেষ্টা চলোৱা হ'ব।

ঋণ আবেদন আৰু চুক্তি

ঋণলওঁতাই বিচৰা ঋণৰ ধনৰাশিৰ অংকটো যিয়েই নহওক কিয়, ঋণ আবেদন প্ৰপত্ৰবোৰ যাতে আটাইবোৰ শ্ৰেণীৰ ঋণৰ বাবে সৰ্বাত্মক হয় সেইটো এই বেংকে সুনিশ্চিত কৰিব। আটাইবোৰ দিশতে সম্পূৰ্ণ কৰি আবেদন দাখিলৰ বাবে ঋণলওঁতাক সক্ষম কৰি তুলিবলৈ এই বেংকে ঋণ আবেদন প্ৰপত্ৰৰ লগতে দাখিল কৰিবলগীয়া (বৈধ তথা বিনিয়ামক প্ৰয়োজন সমূহৰ অনুপালনকল্পে) দস্তাৱেজ সমূহৰ এখন পৰীক্ষণ সূচীও প্ৰদান কৰিব।

যদিহে এই বেংকে টেলিফোনৰ জৰিয়তে এটা ঋণ সুবিধা প্ৰদান কৰে/অনুমোদিত কৰে, তেন্তে উপভোক্তাৰপৰা লিখিতভাৱে বা অধিপ্ৰমাণিত ইলেকট্ৰ'নিক সাধনেৰে প্ৰতিগ্ৰহণ প্ৰাপ্ত কৰাৰ পাছতহে/প্ৰয়োজনীয় বিধিমান্যকৰণ কৰি উঠিহে এই বেংকে উপভোক্তা গৰাকীৰ একাউণ্টত ঋণৰ ধনৰাশি ক্ৰেডিট কৰিব। এই বেংকে কোনো ৰূপতে অযাচিত পূৰ্ব-অনুমোদিত ঋণ সুবিধা প্ৰদান নকৰিব।

ঋণ আবেদনৰ প্ৰসংস্কৰণৰ বাবে লগা সময়সীমাৰ কথা স্পষ্টভাৱে উল্লেখ কৰি আটাইবোৰ ঋণ আবেদনৰ প্ৰাপ্তিৰ বাবে অভিস্বীকৃতি দিয়াৰ এটা ব্যৱস্থা এই বেংকৰ থাকিব।

ঋণৰ মূল্যাংকন আৰু সমীক্ষা

এই বেংকে ঋণলওঁতা সকলৰ ঋণ আবেদনৰ যথাযথ মূল্যাংকন কৰিব আৰু ঋণলওঁতাৰ ঋণ নিৰ্ভৰযোগ্যতাৰ সম্যক উদ্যমৰ প্ৰতিস্থাপন হিচাপে কেৱল মাৰ্জিন আৰু প্ৰতিভূতি নিৰ্ধাৰণহে ব্যৱহাৰ নকৰিব। এই বেংকে ঋণলওঁতা গৰাকীক প্ৰযোজ্য নিবন্ধন আৰু চৰ্তাৱলীসহিতে ঋণ সীমাৰ কথা জানিবলৈ দিব। এই বেংকে দিয়া ঋণ সুবিধা সমূহ পৰিচালনা কৰা নিবন্ধন আৰু চৰ্তাৱলী আৰু আন আন সতৰ্কীকৰণ সমূহ, যিবোৰত উপনীত হোৱা গৈছে ঋণলওঁতাৰ সৈতে কৰা পৰক্ৰমণৰ অন্তত, সেইবোৰক লিখিত ৰূপ দিয়া হ'ব আৰু তাক সম্যক ৰূপত প্ৰমাণিত কৰিব এই বেংকৰ প্ৰাধিকৃত বিষয়া-কৰ্মচাৰীয়ে। এই নিবন্ধন আৰু চৰ্তাৱলীত ঋণলওঁতাই দিয়া প্ৰতিগ্ৰহণ, এই বেংকে ঋণলওঁতাৰ সম্পূৰ্ণ জ্ঞান অনুসাৰে অভিলেখবদ্ধ কৰিব।

সহায়তা সংঘ ব্যৱস্থাৰ অধীনত যদি ঋণদান কৰা হয়, তেন্তে অশগ্ৰহণকাৰী ঋণদিওঁতা সকলে যিমান দূৰ সম্ভৱ সিমানলৈকে এটা সময়বদ্ধ ধৰণেৰে প্ৰস্তাৱ সমূহৰ সম্পূৰ্ণ সমীক্ষাকল্পে ক্ৰিয়াবিধি সমূহ বিকশিত কৰা উচিত, আৰু এটা যুক্তিসংগত সময়সীমাৰ ভিতৰত বিত্তায়ন কৰা হ'বনে নহয় সেই লৈ তেওঁলোকে লোৱা সিদ্ধান্ত সংপ্ৰেষণ কৰিব।

ঋণ আবেদন সমূহৰ সন্দৰ্ভত CICs ৰ সৈতে তথ্য বিনিময়

এই বেংকে ক্ৰেডিট ইনফৰ্মেছন কোম্পানী সমূহৰ (CICs) ভূমিকা, CICs ৰ সৈতে সম্পন্ন কৰা পৰীক্ষা, উপভোক্তাৰ ঋণ আহৰণৰ সক্ষমতাৰ ওপৰত CIC এ প্ৰদান কৰা তথ্যই পেলাব পৰা প্ৰভাৱৰ কথা উপভোক্তাৰ জ্ঞাতাৰ্থে ব্যাখ্যা কৰি দিব।

উপভোক্তাৰপৰা অহা অনুৰোধ সাপেক্ষে আৰু উপভোক্তাই নিৰ্ধাৰিত মাচুল আদায় দিলে CIC ৰপৰা আহৰণ কৰা ৰিপ'ৰ্টৰ এটা প্ৰতিলিপি এই বেংকে উপভোক্তাক দিব পাৰে।

প্ৰতিসংদায়ত হোৱা কোনো ব্যতিক্ৰমৰ সময়ত এই বেংকে উপভোক্তা সকলে সুবিধা লোৱা ঋণৰ বিষয়ে পৰ্যায়ক্ৰমিক ব্যৱধানত CIC ক তথ্য প্ৰদান কৰিব আৰু তাৰপাছত পৰৱৰ্তী ৰিপ'ৰ্টত লোন একাউণ্টৰ নিয়মীয়াকৰণৰ কথা অদ্যতন কৰিব।

ঋণ সিদ্ধান্ত সমূহৰ ঘটনাক্ৰম

যথাযথ ঘটনাক্ৰমৰ (20 লাখ টকা পৰ্যন্ত ঋণৰ বাবে ঋণ আবেদন প্ৰাপ্ত কৰা তাৰিখৰপৰা 30 টা কাৰ্যদিন) সৈতে, ঋণ প্ৰস্তাৱ সমূহৰ নিষ্পত্তিৰ বাবে এই বেংকৰ এটা সংজ্ঞাবদ্ধ প্ৰক্ৰিয়া থাকিব আৰু নিৰ্ধাৰিত তাৰিখৰ পাছতো অনিৰ্ণীত হৈ থকা আবেদন সমূহৰ নিৰীক্ষণৰ বাবে এটা যথোপযুক্ত নিৰীক্ষণ ব্যৱস্থা গঢ়ি তুলিব। এই বেংকে ইয়াৰ ৱেবছাইট, জাননী ফলক, উৎপাদ সাহিত্য, আৰু তেনে ধৰণৰ আন উপায়ৰ জৰিয়তে ঋণ সিদ্ধান্ত সমূহৰ প্ৰবহন কৰিবলৈ যথোপযুক্ত প্ৰকটীকৰণৰ ব্যৱস্থা কৰিব।

এটা যুক্তিসংগত সময়সীমাৰ ভিতৰত এই বেংকে ঋণ আবেদন সমূহৰ সত্যাপন কৰিব আৰু কিবা অতিৰিক্ত সবিশেষ/দস্তাৱেজ লগা হ'লে সেই কথা ততালিকে ঋণলওঁতা সকলক জনাব।

যদিহে কোনো ঋণ অগ্ৰাহ্য কৰা হয়, তেন্তে বেংকে সেই কথা, ঋণ আবেদনৰ তেনে অগ্ৰাহ্যকৰণৰ আঁৰৰ মূল কাৰণ/কাৰণবোৰ হয় SMS ৰ জৰিয়তে নহয় ইমেইলৰ জৰিয়তে নিৰ্ধাৰিত সময়ৰ ভিতৰতে প্ৰবহনৰ ব্যৱস্থা কৰিব। ফিনটেক-ভিত্তিক ডিজিটীয় ঋণদানৰ বাবে এই বেংক আৰু ফিনটেক ঋণদিওঁতাৰ মাজত পাৰস্পৰিক সন্মতিসাপেক্ষে এই বেংকে পোনে পোনে বা ফিনটেক ঋণদিওঁতাৰ জৰিয়তে অগ্ৰাহ্যকৰণৰ কাৰণ(বোৰ) উপভোক্তাক জানিবলৈ দিব পাৰে।

ঋণৰ আৰ্থিক অনুমোদনৰ সময়ত অনুসৰণ কৰিবলগীয়া ক্ৰিয়াবিধি

যিকোনো ঋণৰ বাবে প্ৰতিভূতি/সমপাৰ্শ্বিক হিচাপে লোৱা আটাইবোৰ হক দস্তাৱেজৰ বাবে এই বেংকে এখন লিখিত ৰছিদ দিব। এই বেংকে কৃষি ঋণৰ অধীনত দিয়া 1.6 লাখ টকালৈকে ঋণ সীমাৰ বাবে সমপাৰ্শ্বিক প্ৰতিভূতিৰ বাবে জোৰ নিদিব আৰু এই বেংকে MSE খণ্ডত থকা গোট সমূহৰ বাবে দিয়া 10 লাখ টকালৈকে ঋণৰ বাবে সমপাৰ্শ্বিক প্ৰতিভূতি গ্ৰহণ নকৰিব। এই বেংকে ঋণৰ আৰ্থিক অনুমোদনৰ সময়ত প্ৰতিসংদায় কাৰ্যক্ৰম অৰ্থাৎ ধনৰাশি, অৱধি আৰু প্ৰতিসংদায়ৰ আৱধিকতা আদি কথাবোৰ ব্যাখ্যা কৰি দিব আৰু লগতে দেয় ধনৰাশিৰ সংগ্ৰহণৰ বাবে এই বেংকৰ এটা সংজ্ঞাবদ্ধ প্ৰক্ৰিয়া থাকিব। এই বেংকে উপভোক্তাক সমান পৰ্যায়ক্ৰমিক কিস্তিবোৰ (EPIs) সুদৰ হাৰ পৰিৱৰ্তনৰ সময়ত ধ্ৰুৱক অৱধিৰ নে পৰিৱৰ্তিত অৱধিৰ নে ইয়াৰ বিপৰীত ক্ৰমত হ'ব তাৰ এটা বিকল্প বাচি ল'বলৈ দিব। ঋণৰ ওপৰত আৰোপ কৰা সুদ গণনাৰ কাৰ্য প্ৰণালী ব্যাখ্যা কৰি দিব।

এই বেংকে ঋণ চুক্তিত উল্লেখ কৰা সংলগ্নক সমূহৰ প্ৰতিটোৰে একোটাকৈ প্ৰতিলিপিসহিতে ঋণৰ আৰ্থিক অনুমোদন/সংবিতৰণৰ সময়ত ঋণ চুক্তিৰ এটা প্ৰতিলিপি সকলো ঋণলওঁতাক প্ৰদান কৰিব। ঋণ চুক্তিয়ে স্পষ্টভাৱে এই কথা নিৰ্ধাৰণ কৰি দিব যে ব্যৱসায়ৰ শ্ৰীবৃদ্ধিৰ কাৰণত হোৱা অধিক ঋণৰ প্ৰয়োজন পূৰণ কৰিবলৈ কোনো ধৰণৰ দায়বদ্ধতা নথকাকৈ ঋণ সুবিধা সমূহ দিয়া-নিদিয়াৰ কথাটো একমাত্ৰ এই বেংকৰ স্বতঃবিবেচনাৰ অধীনস্থ হ'ব। উপভোক্তা আৰু উজ্জীৱন বেংকে চহী কৰিবলগীয়া ঋণ চুক্তি সমূহৰ বাবে এই বেংকে ডিজিটীয় স্বাক্ষৰ সুবিধা ব্যৱহাৰ কৰিব পাৰে। এই বিষয়ত হোৱা কোনো ব্যতিক্ৰম সঠিক যুক্তিযুক্ততাসহিতে নথিবদ্ধ কৰা হ'ব। যদি উপভোক্তা গৰাকীয়ে অনুৰোধ কৰে তেন্তে এই বেংকে উপভোক্তা গৰাকীক লোন একাউণ্টৰ বাৰ্ষিক বিবৃতি প্ৰদান কৰিব।

ঋণৰ আৰ্থিক অনুমোদন দস্তাৱেজ সমূহত প্ৰদান কৰা হোৱা নিবন্ধন আৰু চৰ্তাৱলীৰ প্ৰয়োজনৰ বাহিৰে আন কোনো ক্ষেত্ৰতে এই বেংকে ঋণলওঁতা সকলৰ কাম-কাজত হস্তক্ষেপ নকৰিব (যেতিয়ালৈকে ঋণলওঁতাই পূৰ্বতে সদৰি নকৰা কিবা নতুন তথ্য এই বেংকৰ দৃষ্টিগোচৰ নহয়)।

উপভোক্তা সকলৰ প্ৰতি স্বচ্ছ আৰু সাধুতাসম্পন্ন আচৰণ

এই বেংকে এই কথা সুনিশ্চিত কৰিব যে ইয়াৰ বিজ্ঞাপন আৰু উত্তৰণমূলক সাহিত্য স্পষ্ট হয় আৰু বিভ্ৰান্তিকৰ নহয়। এই বেংকে এই কথা সুনিশ্চিত কৰিব যে ইয়াৰ উৎপাদ আৰু সেৱা সমূহৰ বিষয়ে, নিবন্ধন আৰু চৰ্তাৱলীৰ বিষয়ে আৰু তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা হাৰ/প্ৰভাৰ সমূহৰ বিষয়ে উপভোক্তাক স্পষ্ট তথ্য দিয়া হৈছে। উপভোক্তাক প্ৰদান কৰা সুবিধা সমূহ আৰু উপভোক্তাই কেনেকৈ এই সুবিধা সমূহ আহৰণ কৰিব পাৰে আৰু তেওঁলোকৰ প্ৰশ্ন সমূহৰ যথাযথ উত্তৰ লাভ কৰিবলৈ তেওঁলোকে কেনেকৈ কাৰ সৈতে যোগাযোগ কৰিব সেই বিষয়ে এই বেংকে তথ্য প্ৰদান কৰিব।

ঋণৰ সংবিতৰণ

এই বেংকে প্ৰযোজ্য নিবন্ধন আৰু চৰ্তাৱলী অনুসাৰে আৰ্থিক অনুমোদন দিয়া ঋণৰ সময়োচিত সংবিতৰণ সুনিশ্চিত কৰিব। কেৱল ভৱিষ্যলক্ষী ৰূপতহে কাৰ্যকৰী হ'বলগীয়া সুদৰ হাৰ আৰু সেই ধৰণৰ আন সেৱা প্ৰভাৰ সমূহত হোৱা পৰিৱৰ্তনকে ধৰি নিবন্ধন আৰু চৰ্তাৱলীত হোৱা যিকোনো পৰিৱৰ্তনৰ বাবে এই বেংকে জাননী জাৰি কৰিব।

ঋণলওঁতাই সমুখীন হোৱা যথাৰ্থ অসুবিধাৰ জোৰা মাৰিবলৈ, এই বেংকৰ এটা গঠনমূলক উত্তৰ-সংবিতৰণ নিৰীক্ষণ ব্যৱস্থা থাকিব, বিশেষকৈ 2 লাখ টকা পৰ্যন্ত ঋণৰ সন্দৰ্ভত। এই বেংকে ঋণ দস্তাৱেজৰ অধীনত ঋণ ঘূৰাই ল'বলৈ/সংদায় বা কাৰ্যদক্ষতা ত্বৰান্বিত কৰিবলৈ বা ঋণলওঁতালৈ যথাযথ জাননী দিয়াৰ পাছত অতিৰিক্ত প্ৰতিভূতি বিচাৰিব পাৰে। দেয় ধনৰাশিৰ সংগ্ৰহণ আৰু প্ৰতিভূতিৰ পুনঃপৰিগ্ৰহণৰ সন্দৰ্ভত এই বেংকে তলত দিয়া নিকা প্ৰথা সমূহত বিশ্বাস ৰাখে যাতে উপভোক্তা সকলৰ আত্মবিশ্বাস আৰু দীৰ্ঘদিনীয়া সম্পৰ্ক উদ্বুদ্ধ কৰিব পৰা যায় আৰু ইয়াৰ লগে লগে যাতে সুনিশ্চিত কৰিব পৰা যায় যে দেয় ধনৰাশিৰ সংগ্ৰহণত কোনো ধৰণৰ বলপূৰ্বক প্ৰথাৰ আশ্ৰয় লোৱা নহয়।

ঋণৰ সন্দৰ্ভত মাচুল সমূহ আৰু প্ৰভাৰ সমূহ

ঋণ আবেদনৰ প্ৰসংস্কৰণৰ বাবে দেয় মাচুল/প্ৰভাৰ, যদিহে ঋণৰ ধনৰাশি আৰ্থিক অনুমোদনপ্ৰাপ্ত নহয়/সংবিতৰণ কৰা নহয় তেতিয়া মাচুল/প্ৰভাৰ হিচাপে আদায় দিয়া ধনৰাশি প্ৰতিদেয় হ'বনে নহয়, পূৰ্ব-সংদায় বিকল্প সমূহ আৰু যদি কিবা আছে প্ৰভাৰ সমূহ, বিলম্বিত প্ৰতিসংদায়ৰ বাবে যদি কিবা আছে জৰিমনা, কোনো সুদ পুনঃনিৰ্ধাৰণ দফাৰ অস্তিত্ব আৰু

ঋণলওঁতাৰ স্বাৰ্থ প্ৰভাৱান্বিত কৰা আন যিকোনো কথাৰ বিষয়ে আটাইবোৰ তথ্য এই বেংকে আৰ্থিক অনুমোদন পত্ৰ/ঋণ চুক্তিত প্ৰকট কৰিব।

এই বেংকে ইয়াৰ ৱেবছাইটত ঋণ উৎপাদৰ আটাইবোৰ শ্ৰেণীৰ বাবে সুদৰ হাৰ, সেৱা প্ৰভাৰ সমূহ আৰু আন আন মাচুল সমূহৰ বিষয়ে তথ্য প্ৰদৰ্শন কৰিব। এই বেংকৰ শাখা সমূহত শুল্ক কাৰ্যক্ৰমৰ এটা প্ৰতিলিপি থাকিব, যাৰ লভ্যতাৰ কথা সৰ্বাত্মক জাননী ফলকত দিয়া এখন জাননীৰদ্বাৰা অধিসূচনাবদ্ধ কৰা হ'ব।

এই বেংকে 'প্ৰক্ৰিয়াত হোৱা আটাইবোৰ খৰচ'ৰ কথা জনাব যাতে উপভোক্তাই হাৰ সমূহ আৰু প্ৰভাৰ সমূহ বিত্তায়নৰ আন আন উৎসৰ সৈতে তুলনা কৰি চাব পাৰে। এনে প্ৰভাৰ সমূহ/মাচুল সমূহ অনা-বৈষম্যমূলক হোৱাটো এই বেংকে সুনিশ্চিত কৰিব। এই বেংকে চিঠি, ইমেইল বা SMS ইত্যাদি উপায়েৰে ইয়াৰ ঋণ উৎপাদ সমূহৰ সুদৰ হাৰত হোৱা পৰিৱৰ্তনৰ কথা উপভোক্তা সকলক জনাব।

ঋণবোৰ আন বেংকৰদ্বাৰা নিজৰ অধিকাৰলৈ অনা

ঋণলওঁতাৰ একাউণ্ট আন বেংক/বিত্তীয় প্ৰতিষ্ঠানে নিজৰ অধিকাৰলৈ আনিব খোজা সিদ্ধান্তৰ সন্দৰ্ভত এই বেংকে ইয়াৰ কিবা আপত্তি থাকিলে সেই আপত্তিৰ কথা এনে অনুৰোধ প্ৰাপ্ত কৰাৰ 21 দিনৰ ভিতৰত প্ৰবহন কৰিব।

ঋণৰ প্ৰত্যুদ্ধৰণ

ঋণৰ প্ৰত্যুদ্ধৰণৰ প্ৰশ্নত এই বেংকে কোনো অনুচিত হাৰাশাস্তিৰ আশ্ৰয় নল'ব, যেনে দিনটোৰ অসুবিধাজনক সময়ত ঋণলওঁতাক বাৰে বাৰে আমনি কৰি থকা, ঋণৰ প্ৰত্যুদ্ধৰণৰ বাবে বাহুবল ব্যৱহাৰ কৰা, ইত্যাদি। ঋণলওঁতালৈ যথাযথ লিখিত জাননী নিদিয়াকৈ এই বেংকে প্ৰতিভূতিৰ পুনঃপৰিগ্ৰহণকে ধৰি কোনো বৈধ বা প্ৰত্যুদ্ধৰণ কাৰ্যব্যৱস্থা হাতত নল'ব।

প্ৰত্যুদ্ধৰণৰ বাবে বেংকৰ দৃষ্টিকোণ হ'ব ব্যাৱহাৰিক তথা অনা-পক্ষপাতপূৰ্ণ হ'ব। প্ৰত্যুদ্ধৰণ কাৰ্যবিধিৰ মৌলিক নীতি সমূহ হ'ল ন্যায়সংগত আচৰণ আৰু অনুনয়। প্ৰতিভূতিৰ বলবৎকৰণ কেৱল সেইবোৰ ক্ষেত্ৰতহে কৰা হ'ব যেতিয়া পুৰগঠন/পুনৰসংস্থাপন ব্যৰ্থ হৈছে বা অসম্ভৱ হৈ উঠিছে। এই বেংকে প্ৰত্যুদ্ধৰণ/প্ৰতিভূতিৰ পুনঃপৰিগ্ৰহণৰ বাবে আইনৰ অধীনত প্ৰয়োজন হোৱা তেনে আটাইবোৰ প্ৰক্ৰিয়া অনুসৰণ কৰিব।

লগতে এই ৱেবছাইটত থকা "দেয় ধনৰাশিৰ সংগ্ৰহণ তথা প্ৰতিভূতিৰ পুনঃপৰিগ্ৰহণ" নীতিত ঋণৰ প্ৰত্যুদ্ধৰণ সম্পৰ্কীয় নিকা প্ৰথা সমূহৰ সবিশেষ দিয়া হৈছে।

প্লৱমান হাৰৰ মিয়াদী ঋণৰ ক্ষেত্ৰত সময়পূৰ্ব সমাপ্তি প্ৰভাৰ/পূৰ্ব-সংদায় জৰিমনাৰ উদগ্ৰহণ

RBI এ জাৰি কৰা 5 জুন, 2012 তাৰিখৰ DBOD.No.Dir.BC.107/13.03.00/2011-12 আৰু 7 মে, 2014 তাৰিখৰ DBOD.Dir.BC.No.110/13.03.00/2013-14 এই দুখন পৰিপত্ৰৰ সন্দৰ্ভত, এই বেংকে কোনো প্লৱমান হাৰৰ মিয়াদী ঋণৰ ক্ষেত্ৰত, ব্যৱসায়ৰ ব্যতিৰেকে আন উদ্দেশ্যৰ বাবে, সহবাধ্যতাধাৰী-(সকল)ৰ সৈতে বা অবিহনে ব্যক্তিগত ঋণলওঁতাৰ ওপৰত সময়পূৰ্ব সমাপ্তি প্ৰভাৰ/পূৰ্ব-সংদায় জৰিমনা আৰোপ নকৰিব।

ঋণৰ সমাপ্তিত প্ৰতিভূতিৰ নিৰ্মুক্তি

ঋণৰ সংদায় প্ৰাপ্ত কৰাৰ পাছত বা ঋণৰ প্ৰাপ্তিত এই বেংকে আটাইবোৰ প্ৰতিভূতি নিৰ্মুক্ত কৰিব যদিহে এনে ঋণলওঁতাৰ বিৰুদ্ধে এই বেংকৰ আন কোনো দাবীৰ বাবে কোনো বৈধ অধিকাৰ বা গ্ৰহণাধিকাৰ নাথাকে। ইতিপূৰ্বে সন্মতি দিয়া বা চুক্তিবদ্ধ আটাইবোৰ দেয় ধনৰাশিৰ প্ৰতিসংদায়ৰ 15 দিনৰ ভিতৰত এই বেংকে ইয়াৰ উপভোক্তাক আটাইবোৰ প্ৰতিভূতি/দস্তাৱেজ/বন্ধকত ৰখা সম্পত্তিৰ হক দলিল ঘূৰাই দিব যদিহে এনে উপভোক্তাৰ বিৰুদ্ধে এই বেংকৰ আন কোনো দাবীৰ বাবে কোনো বৈধ অধিকাৰ বা গ্ৰহণাধিকাৰ নাথাকে। এই বেংকে ঋণলওঁতা সকললৈ জাননী দিব যদিহে বেংকে ক্ষতিপূৰ্তিৰ অধিকাৰ কামত লগাবলৈ সিদ্ধান্ত লয়। সেই জাননীত অৱশিষ্ট দাবী সমূহৰ বিষয়ে আৰু যিবোৰ দস্তাৱেজৰ অধীনত প্ৰাসংগিক দাবীৰ মীমাংসা/সংদায় নোহোৱালৈকে প্ৰতিভূতি সমূহ নিজৰ লগত ৰখাৰ অধিকাৰ বেংকে লাভ কৰে সেইবোৰ দস্তাৱেজৰ বিষয়ে সম্পূৰ্ণ বিৱৰণ থাকিব।

উপভোক্তাৰ ওজৰ-আপত্তি নিষ্পত্তি

ঋণলওঁতাৰ ওজৰ-আপত্তি সমূহৰ নিষ্পত্তিকল্পে এই বেংকে এটা কাৰ্যবিধি যুগুতাই উলিয়াইছে, যিটোৰ বিশদ বিৱৰণ এই ৱেবছাইটত থকা উপভোক্তা ওজৰ-আপত্তি নিষ্পত্তি নীতিত দিয়া হৈছে বা এই বেংকৰ শাখা সমূহৰ সৈতে লভ্য।

ঋণদিওঁতা সকলৰ বাবে থকা নিকা প্ৰথা সংহিতাৰ (FPC) অনুপালন আৰু ওজৰ-আপত্তি নিষ্পত্তি কাৰ্যবিধিৰ এটা বাৰ্ষিক পুনৰীক্ষণ এই বেংকৰ ব'ৰ্ডৰ উপভোক্তা সেৱা কমিটিৰ ওচৰত উপস্থাপন কৰা হ'ব।

14 মাৰ্চ, 2022 তাৰিখৰ অভিভাৱী নিৰ্দেশন- বিনিয়ামক মূল সংৰচনা সূক্ষ্মবিত্তায়নৰ সন্দৰ্ভত ঋণদিওঁতা সকলৰ বাবে থকা নিকা প্ৰথা সংহিতাৰ সংবৰ্ধন

উক্ত অভিভাৱী নিৰ্দেশন অনুসাৰে, এটা সূক্ষ্মবিত্তায়ন ঋণৰ সংজ্ঞা হ'ল 3,00,000 টকালৈকে পৰিয়ালৰ বাৰ্ষিক আয় থকা এটা পৰিয়ালক এটা সমপাৰ্শ্বিক-মুক্ত ঋণ দিয়া। অভিভাৱী নিৰ্দেশনে বেংক সমূহৰ বাবে তলত দিয়া ধৰণে অনুপালন প্ৰয়োজন সমূহ ধাৰ্য কৰি দিছে**:**

1. এই বেংকে এক মানকীকৃত সৰলীকৃত তথ্য পত্ৰকত এগৰাকী ভাবী ঋণলওঁতাক মূল্যাংকন সম্পৰ্কীয় তথ্য প্ৰকট কৰিব। উদাহৰণমূলক তথ্য পত্ৰকৰ বাবে পৰিশিষ্ট 1 চাওক।

2. এই বেংকৰদ্বাৰা আৰু/বা ইয়াৰ সহযোগী/অভিকৰ্তাৰদ্বাৰা সূক্ষ্মবিত্তায়ন ঋণলওঁতাৰ ওপৰত আৰোপ কৰিবলগীয়া যিকোনো মাচুলৰ কথা এই তথ্য পত্ৰকত স্পষ্টভাৱে প্ৰকট কৰা হ'ব। তথ্য পত্ৰকত স্পষ্টভাৱে প্ৰকট নকৰা কোনো ধনৰাশি ঋণলওঁতাৰ ওপৰত আৰোপ কৰা নহ'ব।

3. সূক্ষ্মবিত্তায়ন ঋণৰ বাবে কোনো পূৰ্ব-সংদায় জৰিমনা নাথাকিব। বিলম্বিত সংদায়ৰ বাবে কিবা জৰিমনা থাকিলেও সেয়া অতিশোধ্য হৈ থকা ধনৰাশিৰ ওপৰতহে প্ৰয়োজ্য হ'ব, ঋণৰ সমগ্ৰ ধনৰাশিৰ ওপৰত নহয়।

4. এই বেংকে ইয়াৰ আটাইবোৰ কাৰ্যালয়ত, ই জাৰি কৰা সাহিত্যত (তথ্য পুস্তিকা/প্ৰচাৰপত্ৰ) সূক্ষ্মবিত্তায়ন ঋণৰ ওপৰত আৰোপিত সৰ্বনিম্ন, সৰ্বাধিক আৰু গড় সুদৰ হাৰ চকুত লগাকৈ প্ৰদৰ্শন কৰিব আৰু ইয়াৰ ৱেবছাইটত সেইবোৰৰ সবিশেষ দিব।

5. সুদৰ হাৰ আৰু আন যিকোনো প্ৰভাৰৰ ক্ষেত্ৰত হোৱা যিকোনো পৰিৱৰ্তনৰ কথা ঋণলওঁতাক যথেষ্ট আগতীয়াকৈ জনোৱা হ'ব আৰু এইবোৰ পৰিৱৰ্তন কেৱল ভৱিষ্যলক্ষী ৰূপতহে কাৰ্যকৰী হ'ব।

6. ঋণলওঁতাই বুজি পোৱা এটা ভাষাত সূক্ষ্মবিত্তায়ন ঋণ সমূহৰ বাবে ঋণ চুক্তিৰ এটা মানক ৰূপ থাকিব।

7. ন'ডেল বিষয়াৰ নাম আৰু যোগাযোগৰ নম্বৰকে ধৰি সবিশেষ সমূহ ধৰি ৰাখি বেংকে এখন লোন কাৰ্ড প্ৰদান কৰিব আৰু লোন কাৰ্ডত থকা আটাইবোৰ প্ৰৱিষ্টিত থাকিব ঋণলওঁতাক পৰ্যাপ্তভাৱে চিনাক্ত কৰিব পৰা তথ্য, মূল্যাংকন সম্পৰ্কীয় সৰলীকৃত তথ্য পত্ৰক, ঋণৰ সৈতে সংলগ্ন আন আটাইবোৰ নিবন্ধন আৰু চৰ্তাৱলী, প্ৰাপ্ত কৰা কিস্তি সমূহকে ধৰি আটাইবোৰ প্ৰতিসংদায়ৰ বাবে বেংকে দিয়া অভিস্বীকৃতি সমূহ আৰু ওজৰ-আপত্তি নিষ্পত্তি প্ৰণালীৰ চূড়ান্ত নিৰ্বাহ আৰু সবিশেষ, য'ত সন্নিৱিষ্ট থাকিব ন'ডেল বিষয়াৰ নাম আৰু যোগাযোগৰ নম্বৰও।

8. লোন কাৰ্ডৰ আটাইবোৰ প্ৰৱিষ্টি ঋণলওঁতাই বুজি পোৱা এটা ভাষাত থকা উচিত।

9. ঋণলওঁতা সকলৰ সম্পূৰ্ণ সন্মতিসাপেক্ষেহে অনা-ঋণ উৎপাদ সমূহ জাৰি কৰা হ'ব আৰু এনে উৎপাদ সমূহৰ বাবে থকা মাচুল সংৰচনা লোন কাৰ্ডতেই স্পষ্টভাৱে উল্লেখ কৰি ঋণলওঁতাক জানিবলৈ দিয়া হ'ব।

10. এই বেংক ইয়াৰ কৰ্মচাৰী সকলৰদ্বাৰা বা আউটছ'ৰ্চ কৰা অভিকৰণৰ কৰ্মচাৰী সকলৰদ্বাৰা কৰা হোৱা অনুচিত আচৰণৰ বাবে উত্তৰদায়ী হ'ব আৰু এই বেংকে সময়োচিত ওজৰ-আপত্তি নিষ্পত্তিৰ ব্যৱস্থা কৰিব, যিটো ব্যৱস্থাৰ কথা ঋণ চুক্তিত আৰু লগতে ৱেবছাইটত/শাখাৰ চৌহদত/কাৰ্যালয়ত প্ৰদৰ্শন কৰা হ'ব।

11. বেংকৰ সংগ্ৰহণ নীতিত ঋণ প্ৰত্যুদ্ধৰণৰ বাবে থকা পথ-নিৰ্দেশনা যথোপযুক্তভাৱে স্থান দিয়া হৈছে।

পৰিশিষ্ট 1:

সূক্ষ্মবিত্তায়ন ঋণৰ মূল্যাংকন বিষয়ক উদাহৰণমূলক তথ্য পত্ৰক

(ঋণলওঁতাই বুজি পোৱা এটা ভাষাত প্ৰদান কৰিব লাগিব)

তাৰিখ: XXX ঋণদিওঁতাৰ নাম: XXX আবেদনকাৰীৰ নাম: XXX

ক্ৰমিক সংখ্যা	**স্থিৰাংক**	**সবিশেষ**
(i)	ঋণৰ ধনৰাশি (ঋণলওঁতালৈ সংবিতৰণ কৰিবলগীয়া ধনৰাশি) (টকাত)	
(ii)	ঋণৰ সমগ্ৰ অৱধিত আৰোপ কৰা মুঠ সুদৰ হাৰ (টকাত)	
(iii)	আন প্ৰাথমিক প্ৰভাৰ সমূহ (প্ৰতিটো উপাংশৰ বিশ্লেষিত বিৱৰণ তলত দিব লাগিব) (টকাত)	
(a)	প্ৰসংস্কৰণ মাচুল (টকাত)	

(b)	বীমা প্ৰভাৰ (টকাত)	
(c)	অন্যান্য (যদি কিবা আছে) (টকাত)	
(iv)	সংবিতৰণ কৰা শুদ্ধ ধনৰাশি (টকাত)	
(v)	ঋণলওঁতাই সংদায় কৰিবলগীয়া মুঠ ধনৰাশি ((i), (ii) আৰু (iii) ৰ সমষ্টি) (টকাত)	
(vi)	বছৰত এবাৰকৈ কাৰ্যকৰী সুদৰ হাৰ (শতকৰা হিচাপত) (IRR দৃষ্টিকোণ আৰু হ্ৰাসমান অতিশেষ পদ্ধতি ব্যৱহাৰ কৰি সংবিতৰণ কৰা শুদ্ধ ধনৰাশিৰ ওপৰত গণনা কৰা হয়)	
(vii)	ঋণৰ অৱধি (মাহত)	
(viii)	ঋণলওঁতাৰদ্বাৰা কৰা হোৱা প্ৰতিসংদায়ৰ আবৃত্তি	
(ix)	প্ৰতিসংদায়ৰ কিস্তিৰ সংখ্যা	
(x)	প্ৰতিসংদায়ৰ প্ৰতিটো কিস্তিৰ ধনৰাশি (টকাত)	
(xi)	যিকোনো সময়ত কৰা পূৰ্ব-সংদায়ৰ বাবে ঋণলওঁতাৰ ওপৰত কোনো জৰিমনা আৰোপ কৰা নহ'ব।	
(xii)	বিলম্বিত সংদায়ৰ ক্ষেত্ৰত দণ্ডমূলক প্ৰভাৰ (যদি কিবা আছে)	
(xiii)	আন প্ৰভাৰ সমূহ (যদি কিবা আছে)	

বিস্তৃত প্ৰতিসংদায় ঘটনাক্ৰম

কিস্তি সংখ্যা	**পৰাদেয় মূলধন (টকাত)**	**মূলধন (টকাত)**	**সুদ (টকাত)**	**কিস্তি (টকাত)**